**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা**

**মুক্ত শৈক্ষিক সমল**

**শ্ৰেণী ঃ অষ্টম বিষয় ঃ ভাষা-১ (অসমীয়া) প্ৰথম সাময়িকী (জানুৱাৰী, ফেব্ৰুৱাৰী আৰু মাৰ্চ), ২০১৯ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - লিখন কৌশল (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

➪ ছাত্ৰ-ছাত্ৰীয়ে ভালদৰে পঢ়ি-বুজি লিখিব পাৰিব।

➪ নাটকৰ সংলাপ সম্পৰ্কে জ্ঞান পাব।

➪ পাঠ্যপুথিৰ অন্তৰ্গত প্ৰশ্নোত্তৰ সমূহ বুজি লিখিব পাৰিব।

➪ যতি, বিৰাম চিহ্নৰ সঠিক ব্যৱহাৰ কৰি লিখিব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি প্ৰথম সাময়িকী (জানুৱাৰী, ফেব্ৰুৱাৰী, মাৰ্চ - ২০১৯)লৈকে সামৰা পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) নিয়ৰ | - | পাঠ নং ১ |
| খ) যুগমীয়া শৰাইঘাট | - | পাঠ নং ২ |
| গ) এন ফ্ৰাঙ্কৰ ডায়েৰি | - | পাঠ নং ৩ |
| ঘ) জাগা জননীৰ সন্তান | - | পাঠ নং ৪ |
| ঙ) ভক্ত প্ৰহ্লাদ | - | পাঠ নং ৫ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত 'শিক্ষাৰ অধিকাৰ আইন - ২০০৯' অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱাৰ প্ৰতি আৰু সকলোৰে বাবে প্ৰাথমিক শিক্ষা বাধ্যতামূলক হোৱাটো নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

ভাষা শিক্ষণৰ মূল উদ্দেশ্যই হৈছে ছাত্ৰ-ছাত্ৰীৰ ভাষাৰ কৌশল সমূহৰ (শ্ৰৱণ, কথন, পঠন, লিখন আৰু চিন্তন) ৰ বিকাশ ঘটোৱা। পৰ্যায়ক্ৰমে ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম শ্ৰেণীৰ পৰাই লিখন কৌশল আহৰণ কৰে আৰু অষ্টম শ্ৰেণীত পূৰ্ণ পৰ্যায়ৰ লিখন কৌশল আয়ত্ত কৰিব লাগে। বয়সৰ সৈতে খাপ খোৱা মানদণ্ড বজাই ৰাখি পঠিত পাঠৰ সন্দৰ্ভত উত্থাপন কৰা যি কোনো প্ৰশ্নৰ উত্তৰ লিখিব পৰা, কোনো বক্তাৰ বক্তব্য সংলাপ আকাৰে লিখিব পৰা, নিজৰ ভাৱ, চিন্তা আৰু অভিজ্ঞতা যতি, বিৰাম চিহ্ন ব্যৱহাৰ কৰি শুদ্ধৰূপত লিখিব পৰা কৌশল আয়ত্ত কৰিব পাৰিব লাগে।

যেতিয়া ছাত্ৰ-ছাত্ৰীয়ে নিজৰ ভাৱ, চিন্তা আৰু অভিজ্ঞতা লিখিবলৈ আৰম্ভ কৰে, তেতিয়া তেনে কাৰ্যই তেওঁলোকৰ আগ্ৰহ আৰু উৎসাহ বৃদ্ধি কৰে। অৰ্থাৎ যেতিয়া স্ব-ৰচিত লিখনি লিখাৰ কৌশল বিকাশ হয়, তেতিয়া তেওঁলোকৰ আত্মবিশ্বাস বৃদ্ধি হয় আৰু শিক্ষণ-শিকন প্ৰক্ৰিয়া ফলপ্ৰসূ হয়। শ্ৰেণীকোঠাৰ বাহিৰে ভিতৰে পাঠ্যপুথি অন্তৰ্গত আৰু পাঠ্যপুথি বহিৰ্ভূত সকলোবোৰ অভিজ্ঞতা বোধগম্য হৈ নিজস্ব শৈলীৰে লিখিত ৰূপত ছাত্ৰ-ছাত্ৰীসকলে প্ৰকাশ কৰিব পাৰিব লাগে।

কিন্তু, বাস্তৱ ক্ষেত্ৰত আমাৰ বিদ্যালয়সমূহৰ বুজন সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ওপৰত উল্লেখ কৰা লিখন কৌশল সমূহ সঠিকভাৱে আয়ত্ত কৰা দেখা নাযায়। বাক্যত উচিত শব্দৰ প্ৰয়োগ, বৰ্ণনাধৰ্মি বাক্যৰ সমষ্টি; সংলাপধৰ্মি বাক্য গাঁঠনি, বাক্যত যতি-বিৰাম চিহ্নৰ ব্যৱহাৰ আদিয়েহে লিখনি আকৰ্শনীয় কৰি তোলে।

বিগত বৰ্ষৰ গুণোৎসৱৰ ফলাফলৰ প্ৰতিবেদনত লিখন কৌশল মূল্যায়নৰ ফলাফল মুঠেও সন্তোষজনক নহয়। বানান আৰু যতি-বিৰাম চিহ্নৰ সঠিক ঠাইত ব্যৱহাৰৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে পাৰদৰ্শিতাৰ পৰিচয় দিবলৈ অপাৰগ হৈছে।

ওপৰত উল্লেখ কৰা লিখনৰ এই শিকন ঘাটিবোৰ পুনৰ অষ্টম শ্ৰেণীত সম্পূৰ্ণৰূপে পূৰণৰ ব্যৱস্থা লোৱাটো সম্ভৱ নহয়; কাৰণ পূৰ্বৰ শ্ৰেণীসমূহতে ওপৰত উল্লিখিত বিষয়সমূহ ছাত্ৰ-ছাত্ৰীসকলে পৰ্যাপ্তভাৱে অনুশীলন কৰি আহে। গতিকে লিখনৰ এই শিকন ঘাটিসমূহ পূৰাবৰ বাবে সময়ে সময়ে অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক পুনৰ অনুশীলন কৰোৱাৰ প্ৰয়োজন আছে।

এই সমল সামগ্ৰীটোত প্ৰথম সাময়িকীৰ পাঠ-নিয়ৰ, যুগমীয়া শৰাইঘাট, এন্ ফ্ৰাঙ্কৰ ডায়েৰি, জাগা জননীৰ সন্তান আৰু ভক্ত প্ৰহ্লাদ অন্তৰ্ভুক্ত কৰা হৈছে। 'নিয়ৰ' পাঠটো কবি চন্দ্ৰকামাৰ আগৰৱালাদেৰ দ্বাৰা ৰচিত প্ৰকৃতি বন্দনামূলক কবিতা, 'যুগমীয়া শৰাইঘাট', পাঠটি শৰাইঘাটৰ যুদ্ধ আৰু লাচিত বৰফুকনৰ বীৰত্বৰ বিষয়ে ৰচিত, 'এনফ্ৰাঙ্কৰ ডায়েৰি' দিনলেখাৰ বিষয়ে থকা পাঠ, 'জাগা জননীৰ সন্তান' জ্যোতিপ্ৰসাদ আগৰৱালা দেৰ ৰচিত দেশভক্তিমূলক কবিতা, 'ভক্ত প্ৰহ্লাদ' এখন নাটক। এই পাঠ পাঁচটাত বিভিন্ন প্ৰকাৰৰ পাঠ পঢ়ি বুজি লিখিব পৰা নাটকৰ চৰিত্ৰ সংলাপ আদি বুজি ব্যক্তিৰ ব্যক্তব্য সংলাপ আকাৰে লিখিব পৰা পঠিত পাঠৰ প্ৰসংগত উদয় হোৱা প্ৰশ্নৰ উত্তৰ লিখিব পৰা, নিজৰ লিখনিত যতি, বিৰাম চিহ্নৰ সঠিক ব্যৱহাৰ কৰিব পৰা আদি লিখনৰ অৰ্হতা সমূহ সন্নিৱিষ্ট কৰা হৈছে।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম ঃ**

শিক্ষণ-শিকন প্ৰক্ৰিয়াত লিখনৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ। লিখন কৌশল আয়ত্তকৰণত প্ৰভাৱিত কৰা গুৰুত্বপূৰ্ণ বিষয়বোৰ হৈছে —

- ⇨ বানানৰ শুদ্ধতা নিশ্চিত কৰা।
- ⇨ বাক্য গাঁঠনিৰ শুদ্ধতা নিশ্চিত কৰা।
- ⇨ পাঠ্যপুথি অথবা পাঠ্যপুথি বহিৰ্ভূত পঢ়া পাঠৰ প্ৰসংগত উত্থাপিত যিকোনো প্ৰশ্নৰ উত্তৰ লিখিত ৰূপত দিব পৰা।
- ⇨ কবিতাৰ পংক্তি, গদ্যৰ দফা আদি বিষয় সন্দৰ্ভত বাখ্যামূলক লিখনি লিখিব পৰা।
- ⇨ নিজৰ লিখনিত যতি, বিৰাম চিহ্নৰ সঠিক প্ৰয়োগৰ সহায়ত মনৰ ভাৱ শুদ্ধ ৰূপত প্ৰকাশ কৰিব পৰা।
- ⇨ লিখনিৰ সঠিক ঠাইত সঠিক শব্দৰ প্ৰয়োগ কৰিব পৰা।

**লিখন কৌশল বিকাশৰ ব্যৱস্থাৱলী —**

এই সমল সামগ্ৰীটো প্ৰস্তুত কৰাৰ মূল উদ্দেশ্য হ'ল —
অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ লিখন কৌশলৰ শিকন ঘাটি পূৰণৰ বাবে শ্ৰেণীকোঠাত যাতে ওপৰঞ্চি কিছু নতুন আৰু ফলপ্ৰসূ কাৰ্যপন্থা ল'ব পাৰে, সেই বিষয়ে অৱগত কৰোৱা। এই সমল সামগ্ৰীত প্ৰথম, দ্বিতীয়, তৃতীয়, চতুৰ্থ আৰু পঞ্চম পাঠত থকা ক্ৰিয়া-কলাপৰ উপৰি শিক্ষকৰ সহায় হ'ব পৰাকৈ সন্নিৱিষ্ট কৰা অতিৰিক্ত ক্ৰিয়া-কলাপৰ আলমত নতুন ক্ৰিয়া-কলাপ অনুশীলন কৰি যাতে শিক্ষণ-শিকন প্ৰক্ৰিয়াক আৰু বেছি ফলপ্ৰসূ কৰিব পাৰে সেইটো সুনিশ্চিত কৰা।

ওপৰত উল্লিখিত লিখনৰ সকলোবোৰ শিকন ঘাটি পূৰণৰ ব্যৱস্থা এই সমল সমাগ্ৰীটোত সামৰিব পৰাটো সম্ভৱ নহয়, সেয়েহে এই সমল সমাগ্ৰীটোত পাঠ এটা পঢ়ি বুজি পাঠটোৰ সন্দৰ্ভত চমুকৈ বা বহলাই লিখিব পৰা। নাটকৰ সংলাপ বা প্ৰত্যেক্ষ উক্তি লিখিব পৰা বিষয় দুটা সামৰি লোৱা হৈছে।

**এই সমলটোৰ পৰা শিক্ষক হিচাপে আমি কি শিকিব পাৰিম ?**

- ⇨ ছাত্ৰ-ছাত্ৰীক জড়িতকৰণৰ বাবে সুযোগ সৃষ্টিৰ জৰিয়তে শ্ৰেণীকোঠা জীৱন্ত কৰি তুলিব পাৰিম।
- ⇨ বিষয়বস্তু বোধগম্য নোহোৱা পৰিৱেশ সৃষ্টি কৰি ছাত্ৰ-ছাত্ৰীৰ লিখনি শক্তিশালী কৰিব পাৰিম।
- ⇨ নতুন নতুন ক্ৰিয়া-কলাপ পৰিকল্পনা কৰিব পাৰিম।

➪ প্ৰত্যেক্ষ বক্তব্য আৰু সংলাপৰ সম্পৰ্কৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক অৱগত কৰোৱাৰ সুযোগ সৃষ্টি কৰিব পাৰিম।

➪ অনুশীলনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ লিখনত দেখা দিয়া দুৰ্বলতাসমূহ দূৰ কৰিব পাৰিম।

➪ অবিৰত মূল্যায়ৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ শিকন দুৰ্বলতা সমূহ চিনাক্ত কৰি পুনঃ পুনঃ অভ্যাসৰ জৰিয়তে

➪ শিকন লক্ষ্যত উপনীত কৰাব পাৰিম আৰু আমি শিক্ষকসকলে আত্মমূল্যায়নৰো সুবিধা পাম।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীয়ে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপে উপস্থাপন কৰা হ'ল —**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| ক) শুনা কথা বা সাধু, কাহিনী আদি নিজাকৈ যতি, বিৰাম চিহ্নৰ ব্যৱহাৰ কৰি, সংলাপ ব্যৱহাৰ কৰি লিখিব পৰা। | অংকুৰণ (অষ্টম ভাগ) পঞ্চতন্ত্ৰৰ সাধু। | একক আৰু দলগত শিকন। | ১) পঞ্চতন্ত্ৰ বা অন্য সাধুকথাৰ কিতাপ পঢ়ি যিকোনো এটা সাধুকথা নিজৰ ধৰণে লিখা।<br>২) নিয়ৰ নামৰ কবিতাটোৰ আলমত এটা ৮ শাৰীৰ কবিতা নিজে লিখা।<br>৩) তোমাৰ গাওঁখন কেনেহ'লে তোমাৰ ভাল লাগিব লিখা। | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |
| খ) নিজে ডায়েৰি লিখাৰ কৌশল আয়ত্ত কৰি মনৰ ভাব চিন্তা লিপিবদ্ধ কৰিব পৰা। | | | ৪) ভক্ত প্ৰহ্লাদ পাঠটোত থকা প্ৰহ্লাদ আৰু হিৰণ্যকশিপুৰ ৩ টাকৈ সংলাপ পুনৰ নতুন ধৰণে গঠন কৰি লিখা। | |
| গ) যিকোনো বিষয়বস্তু সন্দৰ্ভত ৰচনা বা কাল্পনীক কাহিনী লিখিব পৰা। | বিষয়বস্তু লিখা থকা কাৰ্ড | একক আৰু দলগত শিকন। | ৫) এনফ্ৰাঙ্কে লিখা ডায়েৰিখনৰ আলমত তুমি নিজৰ বিষয়ে ৭ দিনৰ ডায়েৰি লিখা। | |

**ক্ষেত্ৰ অধ্যয়ন ঃ**

পাঠ এটা পঢ়ি বুজি পাঠটোৰ বিষয়বস্তু সন্দৰ্ভত চমুকৈ বা বহলাই লিখিব পৰা কৰি তুলিবলৈ লোৱা ব্যৱস্থাৱলী —

অজিত ফুকন চাৰে অষ্টম শ্ৰেণীত অসমীয়া পঢ়ুৱায়। ফুকন চাৰে মন কৰিছিল যে শ্ৰেণীকোঠাত "ভক্ত প্ৰহ্লাদ" পাঠটো আদান-প্ৰদান কৰাৰ পাচত আৰু ১ নং পাঠৰ পৰা ৫ নং পাঠলৈ প্ৰতিটো পাঠতে থকা ক্ৰিয়া-কলাপবোৰ কৰোৱাৰ পাচটো চাৰি গৰাকীমান ছাত্ৰ-ছাত্ৰীয়ে পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ আৰু প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰি লিখাৰ ক্ষেত্ৰত সমস্যা আছে। নতুন নতুন কিছুমান শব্দৰ বানান আৰু নিজাববীয়াকৈ লিখাৰ ক্ষেত্ৰত জড়তা আছে। সেয়েহে এই সমস্যা সমূহ আঁতৰাবৰ বাবে ফুকন চাৰে শ্ৰেণীকোঠাত পাঠ্যপুথিত থকা ক্ৰিয়া-কলাপৰ উপৰি আন এটা ক্ৰিয়া কলাপ সংগঠন কৰি অষ্টম শ্ৰেণীৰ শ্ৰেণীকোঠাত প্ৰয়োগ কেনেদৰে কৰিছিল চাওঁ আহক —

ফুকন চাৰে পঞ্চতন্ত্ৰৰ পৰা সংগ্ৰহ কৰা ‘কৰতক আৰু দমনক’ নামৰ সিংহ আৰু ষাড় গৰুৰ সাধুটো নিজে ঘৰত ভালদৰে পঢ়ি ৰসাল আৰু অভিনয়ৰ মাজেৰে ক'বলৈ অভ্যাস কৰি ল'লে আৰু এদিন শ্ৰেণীকোঠাত সাধুটো বৰ সুন্দৰ ভাবে অভিনয়ৰ জৰিয়তে ক'লে। সাধুটো শুনোৱাৰ পাচত আগতেই প্ৰস্তুত কৰি থোৱা সাধুটোৰ পাঁচটা দফাৰ পাঁচখন দফা কাৰ্ড ছাত্ৰ-ছাত্ৰীসকলক পাঁচটা দলত ভাগ কৰি প্ৰতিটো দলকে এখনকৈ দিলে।

দফাবোৰ দলত ভালদৰে পঢ়িবলৈ দিলে আৰু তাত থকা নতুন নতুন শব্দবোৰৰ তলত আঁচ টানিবলৈ কলে আৰু সেই শব্দবোৰৰ সাম্ভাব্য অৰ্থ লিখিবলৈ উৎসাহিত কৰিলে। তাৰ পাচত প্ৰতিটো দলকে তেওঁলোকৰ ভাগত পৰা দফাটোৰ কাহিনীভাগ ক'বলৈ উৎসাহিত কৰিলে। এইদৰে কাহিনীটো কোৱা হোৱাৰ পাচত নতুনকৈ পোৱা শব্দবোৰৰ অৰ্থবোৰ ক'বলৈ ক'লে আৰু ফুকন চাৰে কৃষ্ণ ফলকত শব্দবোৰ ডাঙৰকৈ লিখি দিলে। শুদ্ধ হোৱা অৰ্থবোৰ লিখিলে আৰু যিবোৰ শব্দৰ অৰ্থ জনা নাই বা অশুদ্ধ হৈছে, সেইবোৰৰ অৰ্থ শুধৰাই দি লিখি দিলে। এনেদৰে প্ৰতিটো দলকে সাধুটো সন্দৰ্ভত পাঁচটাকৈ প্ৰশ্ন প্ৰস্তুত কৰি লিখিবলৈ ক'লে। প্ৰশ্নবোৰ দলৰ মাজত সলাই ল'লে আৰু তাৰ উত্তৰ লিখিবলৈ ফুকন চাৰে উৎসাহিত কৰিলে। শেষত প্ৰত্যেক ছাত্ৰ-ছাত্ৰীকে সাধুটো ঘৰত লিখি আনিবলৈ দিলে। সাধুটোৰ চৰিত্ৰ সমূহৰ কথাবোৰে সংলাপ আকাৰে চাৰে কোৱাৰ দৰেই লিখিবলৈ উৎসাহিত কৰিছিল।

পিছৰ দিনাৰ শ্ৰেণীত ফুকন চাৰে সকলোবোৰ ছাত্ৰ-ছাত্ৰীয়ে সাধুটো লিখি অনাটো নিশ্চিত কৰিলে আৰু যিবোৰে লিখি অনা নাই তেওঁলোকক পিচদিনা লিখি আনি ফুকন চাৰৰ হাতত জমা দিবলৈ চাৰে দৰাই দৰাই ক'লে। এইদৰে ফুকন চাৰে ছাত্ৰ-ছাত্ৰীসকলক লিখাৰ প্ৰতি আগ্ৰহী আৰু ভুলকৈ লিখা বানানবোৰ শুদ্ধকৈ লিখিবলৈ পুনৰ উৎসাহিত কৰিলে আৰু আটাইতকৈ ভালকৈ লিখি অনা ‘অনামিকা’ নামৰ ছাত্ৰীজনীক বিদ্যালয়ৰ প্ৰাতঃ সভাত সাধুটো ক'বলৈ সুযোগ দিলে। এইদৰে পুনৰ পুনৰ লিখা কাৰ্যৰ লগত জড়িতকৰণেৰে ফুকন চাৰে ছাত্ৰীসকলক লিখনৰ প্ৰতি আগ্ৰহী কৰাৰ লগতে শুদ্ধ লিখন আৰু বিষয়বস্তু সন্দৰ্ভত নিজাকৈ চমুৱাই বা বহলাই লিখাৰ কৌশলো আয়ত্তকৰণত যথেষ্ট সফলতা লাভ কৰিছিল।

***বিঃদ্ৰঃ — ফুকন চাৰে শ্ৰেণীত থকা বিশেষভাৱে সক্ষম ছাত্ৰজনক (চকুৰে ক'ম দেখা) সন্মুখত বহাৰ ব্যৱস্থা কৰি দিছিল।***

**চিন্তা কৰি চাওঁ আহক —**

➪ ফুকন চাৰে পাঠ্যপুথিৰ পাঠৰ সলনি পাঠ বহিৰ্ভূত সাধুকথা কথন আৰু লিখনত কিয় ব্যৱহাৰ কৰিলে?
➪ ছাত্ৰ-ছাত্ৰীসকলক বাৰে বাৰে লিখনত জড়িতকৰণৰ বাবে ফুকন চাৰে আৰু কি পদক্ষেপ ল'ব পাৰিলেহেঁতেন?

**ক্ৰিয়া-কলাপ**

অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে লিখন কৌশল আয়ত্ত কৰণৰ বাবে যথেষ্ট লিখন অভ্যাস কৰাটো যথেষ্ট গুৰুত্বপূৰ্ণ বিষয়। কল্পনা শক্তিৰ বিকাশ ঘটাই সৃষ্টিশীল লিখনত গুৰুত্ব দিবলৈ শ্ৰেণীকোঠাৰ বাহিৰে ভিতৰে সুযোগ সৃষ্টি কৰিব পাৰিলেহে ছাত্ৰ-ছাত্ৰীসকলে লিখন কৌশলৰ আয়ত্ত কৰিব পাৰিব।

**প্ৰস্তুতি ঃ**

➪ পাঁচখন কাৰ্ডত পাঁচটা বিষয় —
➪ গুৱাহাটীত বৰফ পৰিলে
➪ অসমত ব্ৰহ্মপুত্ৰখন নাথাকিলে
➪ অসমখন সাগৰৰ পাৰত হোৱা হ'লে
➪ অসমত শ্ৰীমন্ত শংকৰদেৱ নজন্মিলে
➪ অসমত যদি ৰজাৰ শাসন হয়—

ছাত্র-ছাত্রীসকলক পাঁচটা দলত ভাগ কৰি ওপৰত দিয়া বিষয়বস্তুবোৰৰ এখনকৈ কাৰ্ড প্ৰতিটো দ'লকে দিব আৰু সেই বিষয়বস্তুবোৰৰ আলম লৈ এখনকৈ ৰচনা লিখিবলৈ উৎসাহিত কৰিব।

প্ৰতিটো দলকে বিষয়বস্তুৰ সন্দৰ্ভত আলোচনা কৰিবলৈ দিব আৰু শিক্ষকে আলোচনাত প্ৰতিটো দ'লকে সহায় কৰিব। প্ৰতিটো দলকে আলোচনাৰ অন্তত লিখিবলৈ উৎসাহিত কৰিব আৰু প্ৰয়োজনবোধে ৰচনাৰ বিষয়বস্তুৰ সন্দৰ্ভত কাহিনী আগবঢ়াই নিয়াত সহায় কৰিব। লিখা হোৱাৰ পাচত প্ৰতিটো দ'লকে পঢ়িবলৈ ক'ব। প্ৰথমতে কাহিনীৰ গঠন আৰু বৰ্ণনাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিব। শেষত বাক্য গাঁঠনি আৰু লিখনৰ শুদ্ধতা আৰু ভাব প্ৰকাশত গুৰুত্ব দি কাহিনী লিখনৰ মূল্যায়ন কৰিব। প্ৰত্যেক দলকে কাহিনীৰ সন্দৰ্ভত প্ৰশ্নাৱলী প্ৰস্তুত কৰি অন্যদলক উত্তৰ লিখিবলৈ উৎসাহিত কৰিব। ভাৱ প্ৰকাশৰ শুদ্ধতাৰ বাবে যতি, বিৰাম চিহ্নৰ সঠিক ব্যৱহাৰত গুৰুত্ব দিব।

***বিঃ দ্ৰঃ — শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীসকলক বিশেষভাৱে গুৰুত্ব দিব লাগিব।***

**সাৰাংশ**

ছাত্ৰ-ছাত্ৰীসকলে এনেধৰণৰ নতুন নতুন ক্ৰিয়া-কলাপৰ চৰ্চৰ ফলত আকৰ্ষণ আৰু আগ্ৰহ বৃদ্ধি হৈ লিখনৰ প্ৰতি ৰুচি বৃদ্ধি হৈছে। সকলো সময়তে শ্ৰেণীকোঠাত জড়িত হৈ থকাৰ সুযোগ পাইছে। পুনৰ পুনৰ লিখনৰ প্ৰতি আগ্ৰহী হৈছে সৃষ্টিশীল লিখনৰ প্ৰতি আগ্ৰহী হৈ কল্পনাৰ বিকাশ ঘটিছে।

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীসকলৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁ আহক —

- ➯ পঞ্চতন্ত্ৰ বা অন্য সাধুকথাৰ কিতাপ পঢ়ি যিকোনো এটা সাধুকথা নিজৰ ধৰণে লিখা।
- ➯ নিয়ৰ নামৰ কবিতাটোৰ আলমত এটা ৮ শাৰীৰ কবিতা নিজাকৈ লিখা।
- ➯ তোমাৰ গাওঁখন কেনেহ'লে তোমাৰ ভাল লাগিব লিখা।

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলন।**

১) ভক্ত প্ৰহ্লাদ পাঠটোত থকা প্ৰহ্লাদ আৰু হিৰণ্যকশিপুৰ ৩ টাকৈ সংলাপ পুনৰ নতুন ধৰণে গঠন কৰি লিখা।

২) এন্ ফ্ৰাঙ্কে লিখা ডায়েৰিখনৰ আলমত তুমি নিজৰ বিষয়ে ৭ দিনৰ ডায়েৰি লিখা।

**প্ৰসংগ টোকা ঃ**

- ➯ পাঠ্যপুথি - অংকুৰণ (অষ্টম ভাগ)।
- ➯ গুণোৎসৱ আৰু নাচ (NAS), ২০১৭ ৰ ফলাফল।
- ➯ চন্দ্ৰকান্ত অভিধান, হেমকোষ।
- ➯ পঞ্চতন্ত্ৰৰ সাধু।

******